জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪/২০২১

## সমাজ কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসাধু ঠিকাদাৰৰ কৱলৰ পৰা বিভাগক মুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## শিশুৰ পৰিপুষ্টি সুনিশ্চিত কৰাৰ দিশত স্বচ্ছ কাৰ্যব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## নিজৰ স্থানত তিনি বছৰ সম্পূৰ্ণ কৰা সকলো শিশু উন্নয়ন প্ৰকল্প বিষয়াক বদলিকৰণৰ নিৰ্দেশ জাৰি কৰিবলৈ বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ৰাজ্যৰ সকলোবোৰ অংগনবাড়ী কেন্দ্ৰক পুনৰ নিৰ্মাণ কৰি শিশু প্ৰযত্নৰ ডেমনষ্ট্ৰেটিভ কেন্দ্ৰলৈ ৰূপান্তৰৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৯ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সমাজ কল্যাণ বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান লয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে জন্মৰ পৰা ছয় বছৰ বয়সৰ প্ৰতিগৰাকী হিতাধিকাৰী শিশুক বছৰটোৰ ৩০০ দিনে পুষ্টিদায়ক খাদ্য যোগানৰ লক্ষ্য নিশ্চিতভাৱে পূৰণ কৰাৰ বাবে আজিৰ বৈঠকত বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে বিভাগৰ বিভিন্ন কামত নিয়োজিত অসাধু ঠিকাদাৰসকলৰ কৱলৰ পৰা বিভাগক মুক্ত কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়াৰ লগতে বিভাগৰ প্ৰতিটো কাম যাতে স্বচ্ছভাৱে ৰূপায়িত কৰি বিভাগটোৰ প্ৰতিচ্ছৱি উজ্জ্বল ৰূপত দাঙি ধৰিব পৰা যায় তাৰ বাবে বিহিত ব্যৱস্থা লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। যোগানকাৰীসকলৰ একনায়কত্ব, বিভাগৰ এচাম বিষয়াসকলৰ সৈতে থকা অসাধু সম্পৰ্ক ৰোধ কৰি বিভাগৰ ক্ৰয় ব্যৱস্থাটো স্বচ্ছ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে চাউল ক্ৰয়ৰ দিশত স্বেচ্ছাসেৱী সংস্থাৰ সলনি ভাৰতীয় খাদ্য নিগমৰ পৰা ক্ৰয় কৰাৰ চিন্তা-চৰ্চ্চা কৰিবলৈও নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে শিশুৰ পৰিপুষ্টি আৰু সুষম বিকাশৰ সৈতে কোনোধৰণৰ আপোচ কৰা নহ'ব আৰু এই দিশত বেয়া কাম কৰা সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ কয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে নিজৰ স্থানত তিনিবছৰ সম্পূৰ্ণ কৰা সকলো শিশু উন্নয়ন প্ৰকল্প বিষয়াক বদলিকৰণৰ পদক্ষেপ ল'বলৈও

নিৰ্দেশ দিয়ে আৰু এই ক্ষেত্ৰত কোনোধৰণৰ আপোচ কৰা নহ'ব বুলিও তেওঁ কয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে লোক নিৰ্মাণ বিভাগৰ লগত আলোচনা কৰি ৰাজ্যখনৰ সকলোবোৰ অংগনবাড়ী কেন্দ্ৰ পুনৰ নিৰ্মাণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। এই কেন্দ্ৰসমূহক শিশু প্ৰযত্নৰ ডেমনষ্ট্ৰেটিভ চেন্টাৰ হিচাপে ৰূপান্তৰ কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে এই অংগনবাড়ী কেন্দ্ৰসমূহৰ নিৰ্মাণৰ নক্সা সম্পূৰ্ণ বিজ্ঞান সন্মত হ'ব লাগিব যাতে কেন্দ্ৰসমূহত শিশুসকলে স্বাস্থ্যসন্মত বাতাবৰণত নিজৰ বিকাশৰ সকলো সা-সুবিধা লাভ কৰিব পাৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে বিভাগৰ পুঁজি ব্যয় বৃদ্ধি কৰাৰ প্ৰয়োজন বুলিও মত পোষন কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত পুঁজি ব্যয়ৰ প্ৰমাণ পত্ৰ দাখিল কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু অধিক এই শিতানত পুঁজি লাভ কৰিব পৰা যায়।

শেহতীয়া কেবিনেট বৈঠকত "দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি"ৰ পুঁজি প্ৰতিমাহৰ ১০ তাৰিখৰ ভিতৰত প্ৰদানৰ সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই লক্ষ্য পূৰণৰ বাবে বিভাগক নিৰ্দিষ্ট কাৰ্যপ্ৰণালী প্ৰস্তুত কৰি তোলাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যালোচনা বৈঠকত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, সমাজ কল্যাণ বিভাগৰ সচিব মনোজ কুমাৰৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৯/০৫/২০২১**